**REGIONAL NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 02-03-2025
**Time :** 1205 hrs

ASSAMESE MIDDAY BULLETIN

**::::::::::::::::::**

লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সংহত টাৰ্মিনেল এই বছৰৰ ভিতৰতে কাৰ্যকৰীভাৱে সাজু হৈ উঠিব। এই সংহত টাৰ্মিনেলে অসমৰ যাতায়ত ব্যৱস্থাক নতুন মাত্ৰা প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। **এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণ**ৰ প্ৰদৰ্শনীত বিমান বন্দৰৰ প্ৰকল্পটোৰ নতুন ৰূপৰ আৰ্হি আৰু নতুন টাৰ্মিনেলত উপলব্ধ হ'বলগীয়া সুবিধাসমূহৰ পৰ্যালোচনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ বাৰ্তাযোগে প্ৰকাশ কৰিছে।

ooooo

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হৈছে। কেন্দ্ৰীয় হিলাল সমিতিৰ তথ্য অনুসৰি আজি প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় আবেলি ৫ বাজি ২১ মিনিট ধাৰ্য কৰা হয়। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ মূল্য।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ৰমজান মাহ উপলক্ষে দেশৰ ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

৯ দিনৰ বিৰতিৰ মূৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যক্ৰমণিকা কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ'ব। কাইলৈৰ পৰা শুকুৰবাৰলৈ সদনৰ বৈঠকৰ সময়ছোৱাত কেইবাখনো বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্যখনৰ সাধাৰণ বাজেট উত্থাপন কৰিব। ১১ আৰু ১২ মাৰ্চত বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ১৩ৰ পৰা ২০ মাৰ্চলৈ সদনৰ স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে বিধানসভাৰ কাম-কাজ স্থগিত থাকিব। ২১, ২৪ আৰু ২৫ মাৰ্চত পুনৰ সদনৰ কাৰ্যক্ৰমণিকা অনুষ্ঠিত হ'ব আৰু ২৫ মাৰ্চত অসম বিধানসভাৰ এইবাৰৰ অধিৱেশন অনিৰ্দিষ্টকালৰ বাবে স্থগিত ৰখা হ'ব। উল্লেখযোগ্য যে যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰত প্ৰথম দিনৰ কাৰ্যসূচীত ৰাজ্যপালৰ ভাষণেৰে এই অধিৱেশন আৰম্ভ হৈছিল।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিধানসভা অধিৱেশন অনুষ্ঠিত হোৱা দিনত প্ৰতি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ মিনিটৰ বাবে **বিধানসভাত আজিৰ দিনটো** শীৰ্ষক প্ৰচাৰ কৰিব। ইয়াৰ উপৰি ১০ মাৰ্চত বিত্তমন্ত্ৰীয়ে সদনত দিয়া বাজেট ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব।

ooooo

নগাঁও জিলাৰ বেবেজিয়াৰ জুৰীয়া নামঘৰৰ সমীপৰ মুকলি পথাৰৰ প্ৰাকৃতিক পৰিৱেশত কালিৰে পৰা যান্ত্ৰিক শব্দ আৰু পোহৰবিহীন ভাবে দুদিনীয়াকৈ ষষ্ঠ বাৰ্ষিক ৰ'দঘাই বেবেজিয়াৰ নাট মহোৎসৱ আৰম্ভ হৈছে। বিশিষ্ট শিল্পী প্ৰদ্যুম্ন গোস্বামীয়ে এই মহোৎসৱৰ পতাকা উত্তোলন কৰে আৰু নাট্যকাৰ মৃণাল বৰাই নাট্যশিল্পী শুক্ৰাচাৰ্য ৰাভাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে। নাট্যশিল্পী শুক্ৰাচাৰ্য ৰাভাই জন্ম দি থৈ যোৱা বিৰল নাট্যধাৰাৰ অনুকৰণত আয়োজিত এই নাট্য মহোৎসৱৰ প্ৰথম দিনা কালি ধিঙৰ প্ৰয়াস নাট্য গোষ্ঠীয়ে ধৰ ঝাৰু ধৰ ভাই, যোৰহাটৰ শব্দই যাপন উদযাপন, মঙলদৈৰ জেংৰাই অসম নাট্য দলে ছন পৰা বৃন্দাবন, নগাঁৱৰ চন্দ্ৰ জ্যোতি সংঘই ভণ্টিৰ হাঁহি নাট মঞ্চস্থ কৰে। আজি ৰ'দঘাই বেবেজিয়াৰ জাকে জাকে উৰি যায় চৰাই, পুৰণি গুডামৰ ভাস থিয়েটাৰ ভগৱদজ্জুকম আদি নাটক পৰিৱেশন কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমুৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

ooooo

ভাৰত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে গ্ৰুপ এৰ পৰা ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে গ্ৰুপ এৰ পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰিব আৰু মঙলবাৰে ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ সন্মুখীন হ'ব। পৰাজিত দলটো বুধবাৰে ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

গুৱাহাটীৰ গীতানগৰৰ মাডাৰ টেৰেছা পথ নিবাসী গড়কাপ্তানি বিভাগৰ অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা মদন চন্দ্ৰ তালুকদাৰৰ কালি হৃদজনিত ৰোগত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৮ বছৰ।

ooooo

সমাপ্ত